# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 02-09-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ছেমিকন ইণ্ডিয়া-২০২৫ সন্মিলন উদ্বোধন কৰিব।

২। ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেন্স ৱ'ং তিনিদিনীয়া চৰকাৰী ভ্ৰমণ সূচীৰে আজি বিয়লি ভাৰতত উপস্থিত হ'ব।

৩। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে ছাংহাই সহযোগিতা সংস্থাৰ শীৰ্ষ সন্মিলনৰ সময়ত ইউক্ৰেইন সংঘাতৰ সমাধানৰ বাবে ভাৰতে কৰা প্ৰচেষ্টাৰ প্ৰশংসা কৰিছে।

৪। ২০১৫ চনৰ পাছত আফগানিস্তানত কালি হোৱা আটাইতকৈ ভয়াৱহ ভূমিকম্পত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ৮১২ লৈ বৃদ্ধি পাইছে। ***আৰু***

৫। নতুন দিল্লীত অহা বছৰৰ আগষ্টত বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপছ অনুষ্ঠিত হ'ব।

ooooo

নতুন দিল্লীৰ যশোভূমিত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ছেমিকন ইণ্ডিয়া- ২০২৫ উদ্বোধন কৰিব। তিনিদিনীযা এই সন্মিলনে দেশৰ বহনক্ষম ছেমিকণ্ডাক্টৰ বা অৰ্ধপৰিবাহী পৰিস্থিতিতন্ত্ৰৰ স্থিতিস্থাপকতা আৰু শক্তিশালী দিশটো প্ৰতিফলিত কৰিব। সন্মিলনত চেমিকন ইণ্ডিয়া কাৰ্যসূচীৰ প্ৰগতি, নিৰ্মাণ, গৱেষণা আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত উদ্ভাৱন, বিনিয়োগৰ সুবিধা, ৰাজ্যিক পৰ্যায়ৰ নীতি ৰূপায়ন আদি কেইবাটাও বিষয়ত সত্ৰ বা অধিৱেশন অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী শ্ৰী মোডীয়ে কাইলৈ মুখ্য কাৰ্য্যবাহী বিষয়াসকলৰ ঘূৰণীয়া মেজমেলতো অংশগ্ৰহণ কৰিব।

এই সন্মিলনত ৪৮ খন দেশৰ দুহেজাৰ পাঁচশ প্ৰতিনিধিৰ লগতে প্ৰায় কুৰি হাজাৰ অংশগ্ৰহণকাৰী উপস্থিত থাকিব। এই সন্মিলনত ছখন দেশৰ ঘূৰণীয়া মেজমেলৰ আলোচনা, দেশীয় পেভিলিয়ন আৰু ষ্টাৰ্ট আপৰ উন্নয়নৰ বাবে নিবেদিত পেভেলিয়নো থাকিব। সন্মিলনত আৰ্হি সংযোজিত প্ৰৰণামূলক আঁচনিৰ অধীনত লোৱা পদক্ষেপ, ষ্টৰ্ট আপ পৰিস্থিতিতন্ত্ৰৰ বিকাশ, আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আৰু ভাৰতৰ ছেমিকণ্ডাক্টৰ খণ্ডৰ ভৱিষ্যতৰ ৰূপৰেখাত আলোকপাত কৰা হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি প্ৰধানমন্ত্ৰী বিকশিত ভাৰত যোজনাৰ প্ৰশংসা কৰি কয়, যে এই আঁচনিৰ লক্ষ্য হৈছে নিয়োগ সৃষ্টিৰ হাৰ বৃদ্ধি কৰা। কেন্দ্ৰীয় মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই লিখা এটা প্ৰৱন্ধ সামাজিক মাধ্যমত শ্বেয়াৰ কৰি শ্ৰীমোদীয়ে ভাৰতৰ জনসাধাৰণক সহায় কৰা প্ৰধানমন্ত্ৰী বিকশিত ভাৰতৰ যোজনাৰ আৰম্ভণিৰ বিষয়ে উল্লেখ কৰে। তেওঁ লগতে কয়, যে দেশে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে প্ৰচেষ্টা চলাই থকাৰ সময়ত এই আঁচনিখনে জনসাধাৰণলৈ সমৃদ্ধিৰ বাৰ্তা কঢ়িয়াই আনিব।

00000

ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেন্স ৱ'ং তিনিদিনীয়া চৰকাৰী ভ্ৰমণ সূচীৰে আজি বিয়লি ভাৰতত উপস্থিত হ'ব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাৰতৰ প্ৰধানমন্ত্ৰীৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। অভ্যাগত প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাৰতৰ আগশাৰীৰ উদ্যোগপতি আৰু ব্যৱসায়ী সকলকো সাক্ষাৎ কৰাৰ কথা আছে। ভ্ৰমণকালত উভয় দেশৰ মাজত সামৰ্থ বিকাশ, মহাকাশ আৰু নৌ খণ্ডত সহযোগিতা, অসামৰিক বিমান পৰিবহণ, অৰ্থনীতি আদি বিভিন্ন ক্ষেত্ৰত ভালেকেইখন চুক্তি সম্পাদন হোৱাৰ সম্ভাৱনা আছে। ছিংগাপুৰত বিগত বৰ্ষৰ ছেপ্তেম্বৰত হোৱা আলোচনা মৰ্মে উভয় দেশৰ দ্বিপাক্ষিক সহযোগিতাক সৰ্বাত্মক কৌশলগত সহযোগিতালৈ উন্নীত কৰা হৈছিল।

ভ্ৰমণকালত শ্ৰীৱ'ঙে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ্ জয়শংকৰ আৰু কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানকো সাক্ষাৎ কৰিব।

যোৱা মাহত দেশ দুখনৰ মাজত মন্ত্ৰী পৰ্যায়ৰ তৃতীয়খন ঘূৰণীয়া মেজমেল অনুষ্ঠিত হৈছিল। দেশখনৰ উপ-প্ৰধানমন্ত্ৰী গেন কিম য়ঙে বৈঠকৰ বাবে ভাৰতলৈ অহা ছিংগাপুৰৰ প্ৰতিনিধি দলটোৰ নেতৃত্ব দিছিল। ইপিনে বৈঠকত ভাৰতৰ হৈ বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ্ জয়শংকৰ, বাণিজ্য মন্ত্ৰী পীযূষ গোৱেল আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱ উপস্থিত আছিল।

উল্লেখযোগ্য যে ছিংগাপুৰ হ'ল দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ ভিতৰত ভাৰতৰ সৰ্ববৃহৎ ব্যৱসায়িক সহযোগী। বিগত বিত্তীয় বৰ্ষত উভয় দেশৰ মাজত ৩ হাজাৰ ৪২৭ কোটি মাৰ্কিন ডলাৰ পৰিমাণৰ ব্যৱসায় হৈছিল।

00000

জাৰ্মানীৰ বিদেশ মন্ত্ৰী জোহান ডেভিড ৱাদেপহুল দুদিনীয়া ভাৰত ভ্ৰমণসূচীৰে কিছুসময়ৰ পূৰ্বে বেংগালুৰুত উপস্থিত হৈছে। আজি পুৱা তেওঁ ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান পৰিদৰ্শন কৰাৰ কথা আছে। অভ্যাগত বিদেশ মন্ত্ৰীগৰাকীয়ে আজি বিয়লিৰ ভাগত নতুন দিল্লীলৈ যাব আৰু কাইলৈ কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযূষ গোৱেল আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ্ জয়শংকৰক সাক্ষাৎ কৰিব।

00000

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শেহতীয়া চীন ভ্ৰমণক প্ৰশংসা কৰি ইয়াক গোলকীয় মঞ্চত ভাৰতৰ কূটনৈতিক আৰু কৌশলগত উপস্থিতিক শক্তিশালী কৰাৰ ক্ষেত্ৰত উল্লেখযোগ্য পদক্ষেপ হিচাপে অভিহিত কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীৰ সফল চীন ভ্ৰমণ তেওঁৰ কূটনৈতিক দক্ষতা আৰু ভূ-ৰাজনৈতিক সমস্যাসমূহৰ বাবে ব্যাহত ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰত ভাৰতৰ দক্ষতাৰ সাক্ষ্য বুলি সামাজিক মাধ্যমত লিখা এটা প'ষ্টত শ্ৰীসিঙে উল্লেখ কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰীগৰাকীৰ ভ্ৰমণে ছাংহাই সহযোগিতা সংস্থাৰ সৈতে ভাৰতৰ সম্পৰ্ক শক্তিশালী কৰি তুলিলে। এই ভ্ৰমণে সংস্থাৰ সদস্য ৰাষ্ট্ৰসমূহৰ মাজত ভাৰতৰ স্থিতি সুদৃঢ় কৰিলে বুলি তেওঁ প্ৰকাশ কৰে। তেওঁ লগতে এই ফলপ্ৰসূ ভ্ৰমণৰ বাবে শ্ৰীমোদীক অভিনন্দন জ্ঞাপন কৰে।

00000

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে ছাংহাই সহযোগিতা সংস্থাৰ শীৰ্ষ সন্মিলনৰ সময়ত ইউক্ৰেইন সংঘাতৰ সমাধানৰ বাবে ভাৰতে কৰা প্ৰচেষ্টাৰ প্ৰশংসা কৰে। শান্তিৰ পৰিৱেশ ঘূৰাই আনিবলৈ গ্ৰহণ কৰা

উদ্যমৰ বাবে তেওঁ ভাৰতৰ লগতে অন্যান্য সহযোগী ৰাষ্ট্ৰসমূহৰ শলাগ লয়। এই সন্মিলনৰ আপাহতে প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে সংঘাতৰ শান্তিপূৰ্ণ সমাধানৰ প্ৰতি আৰু সকলো ধৰণৰ শান্তি প্ৰচেষ্টাৰ প্ৰতি ভাৰতৰ দায়বদ্ধতা আৰু সম্পূৰ্ণ সমৰ্থন পুনৰ প্ৰকাশ কৰে।

ইয়াৰ পূৰ্বে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেনস্কিয়ে সংঘাতৰ সমাধানৰ বাবে আমেৰিকাৰ ৰাষ্ট্ৰপতি ট্ৰাম্প আৰু ইউৰোপৰ অন্যান্য নেতাসকলৰ সৈতে হোৱা আলোচনাৰ সবিশেষ শনিবাৰে জাপানৰ পৰা গৈ চীনত উপস্থিত হোৱাৰ পাছতে শ্ৰীমোদীক অৱগত কৰে। শ্ৰীমোদীয়ে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে দেশখনত হোৱা মানৱীয় সংকটৰ বিষয়ে কথা পাতে আৰু ৰাছিয়া আৰু অন্যান্য নেতাসকলক শান্তিৰ বাৰ্তা প্ৰেৰণ কৰাৰ বাবে ভাৰত সম্পূৰ্ণৰূপে সাজু বুলি জানিবলৈ দিয়ে।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসমৰ বিভিন্ন অঞ্চলৰ লগতে মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু অৰুণাচল প্ৰদেশত মুষলধাৰ বৰষুণ অব্যাহত থাকিব বুলি প্ৰকাশ কৰিছে। বিভাগে জম্মু-কাশ্মীৰ, লাডাখ, হিমাচল প্ৰদেশ, উত্তৰাখণ্ড, পঞ্জাব, হাৰিয়ানা, চণ্ডীগড় আৰু উত্তৰ প্ৰদেশৰ পশ্চিম অংশত আজিও ধাৰাসাৰ বৰষুণ হৈ থাকিব বুলি জানিবলৈ দিছে। বতৰৰ আগলি বতৰা অনুসৰি আজিৰে পৰা অহা ৪ দিনলৈ গুজৰাট, মহাৰাষ্ট্ৰৰ মধ্য অংশ, গোৱা, সৌৰাষ্ট্ৰ আৰু কচ্ছত বেছি পৰিমাণে বৰষুণ হ'ব। অহা ৪ আৰু ৫ ছেপ্তেম্বৰত সমগ্ৰ গুজৰাটৰ উপকূল অঞ্চলৰ লগতে লক্ষদ্বীপ আৰু গোৱাৰ উপকূলত সাগৰত মাছ মাৰিবলৈ নাযাবলৈ বিভাগে মাছমৰীয়া সকলৰ প্ৰতি পৰামৰ্শ আগবঢ়াইছে।

ooooo

২০১৫ চনৰ পাছত আফগানিস্তানত কালি হোৱা আটাইতকৈ ভয়াৱহ ভূমিকম্পত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ৮১২ লৈ বৃদ্ধি পাইছে। ভূমিকম্পত এইপৰ্যন্ত দুহেজাৰ ৮১৭ গৰাকী লোক আঘাতপ্ৰাপ্ত হোৱাৰ বাতৰি আহিছে। দেশখনৰ চৰকাৰী মুখপাত্ৰ জাবিহুল্লাহ মুজাহিদে প্ৰকাশ কৰা অনুসৰি ভূমিকম্পত কুনাৰ অঞ্চলটো সৰ্বাধিক ক্ষতিগ্ৰস্ত হৈছে। ইয়াৰ পাছতে ক্ষতিৰ সন্মুখীন হোৱা অঞ্চলৰ তালিকাত নানগড়হৰ, লাঘমান, নুৰিস্তান আৰু পঞ্জচিৰ আছে বুলি তেওঁ প্ৰকাশ কৰে। এই অঞ্চলসমূহৰ প্ৰায়সমূহ গাঁৱেই ধ্বংস হৈছে আৰু গাঁওসমূহলৈ সংযোগ বিধ্বস্ত হোৱাৰ ফলত উদ্ধাৰ অভিযানত বাধাৰ সৃষ্টি হৈছে বুলি মুখপাত্ৰগৰাকীয়ে জানিবলৈ দিয়ে। দেশখনৰ নুৰগল জিলাত এতিয়াও ভালেসংখ্যক লোক জীৱিত বা মৃত অৱস্থাত ধ্বংসস্তূপৰ মাজত সোমাই থকাৰ আশংকাও তেওঁ প্ৰকাশ কৰে। ইপিনে, ৰাষ্ট্ৰসংঘৰ বিশ্ব খাদ্য কাৰ্যসূচীয়ে তেওঁলোকৰ সদস্যসকলে প্ৰভাৱিত অঞ্চলসমূহৰ লোকসকলৰ বাবে খাদ্য যোগানৰ কাম অব্যাহত ৰাখিছে বুলি প্ৰকাশ কৰিছে।

ooooo

নতুন দিল্লীত অহা বছৰৰ আগষ্টত বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপছ অনুষ্ঠিত হ'ব। পেৰিছত অনুষ্ঠিত চলিত বৰ্ষৰ বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপছৰ সামৰণি অনুষ্ঠানত কালি বেডমিণ্টন ৱৰ্ল্ড ফেডাৰেচন, বি ডব্লিউ এফে এই সিদ্ধান্ত সদৰি কৰে। ২০০৯ চনত হায়দৰাবাদত ভাৰতে অন্তিমবাৰৰ বাবে এই আগশাৰীৰ প্ৰতিযোগিতাখনৰ আয়োজন কৰিছিল। অহা বছৰ ৪টা বছৰৰ বিৰতিৰ অন্তত এছিয়াত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ই ক্ৰীড়াৰ উন্নয়নৰ ক্ষেত্ৰত মহাদেশখনত ভাৰতে লৈ থকা কেন্দ্ৰীয় ভূমিকা পুনৰ প্ৰতিপন্ন কৰিব। ২০১৮ চনত চীনে এছিয়াৰ অন্তিমখন ৰাষ্ট্ৰ হিচাপে নানজিং চহৰত প্ৰতিযোগিতাখনৰ আয়োজন কৰিছিল।

প্ৰতিযোগিতাখনত এইপৰ্যন্ত তাৰকা খেলুৱৈ পি ভি সিন্ধুৱে এটা সোণ, দুটা ৰূপ আৰু দুটা ব্ৰঞ্জসহ মুঠ ৫টা পদক দখল কৰি দেশৰ আটাইতকৈ সফল খেলুৱৈ হিচাপে পৰিগণিত হৈছে। কোপেনহেগেনত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ সংস্কৰণত ভাৰতৰ প্ৰকাশ পাডুকনে ব্ৰঞ্জৰ পদক দখল কৰিছিল। ইয়াৰ পাছতে লণ্ডনত ২০১১ চনত জালা গুট্টা আৰু অশ্বিনী পোনাপ্পাই দেশলৈ সন্মান কঢ়িয়াই আনিছিল। প্ৰতিযোগিতাখনৰ শেহতীয়া সংস্কৰণত পুৰুষৰ ডাবলছত স্বাত্বিকছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টীয়ে ব্ৰঞ্জৰ পদক লাভ কৰিছিল। আগশাৰীৰ খেলুৱৈ এইচ এচ প্ৰণয়ে ২০২৩ চনত প্ৰতিযোগিতাখনত পুৰুষৰ ছিংগলছত ব্ৰঞ্জৰ পদক লাভ কৰিছিল।

ooooo

ইউ এছ্ অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত আৰ্থাৰ এছ ষ্টেডিয়ামত কাইলৈ ন'ভাক জ'ক'ভিছ্ টেইলৰ ফ্ৰীটজৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ২৪ বাৰকৈ গ্ৰেণ্ড শ্লাম পৰ্যায়ৰ প্ৰতিযোগিতাত চেম্পিয়নৰ খিতাপ দখল কৰা জ'ক'ভিছে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত জাৰ্মানীৰ জন লেনাৰ্ড ষ্ট্ৰাফক ৬-৩,  ৬-৩, ৬-২ ফলাফলত পৰাস্ত কৰে। ইপিনে ফ্ৰীটজে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ট'মাছ্ মেচাকৰ বিৰুদ্ধে ৬-৪, ৬-৩, ৬-৩ ফলাফলত বিজয় অৰ্জন কৰে। উল্লেখযোগ্য যে দুয়োগৰাকীৰ মাজত হোৱা শেহতীয়া ১০ বাৰৰ মুখামুখীৰ আটাইকেইবাৰতে চাৰ্বিয়াৰ ৩৮ বছৰীয়া জ'ক'ভিছে শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰিছে।

ooooo

সমাপ্ত